# সংবিধান

## বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়

ছাত্র একতা সভা

(সংশোধিত ২০২৩ ইং)

বিদ্যয়া জ্ঞানম অশ্নুতে

১৯৮২ ইং

# সংবিধান

## বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়

(সংশোধিত ২০২৩ ইং)

বিদ্যয়া জ্ঞানম অশ্নুতে

১৯৮২ ইং

# সংবিধান

## বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয় ছাত্র একতা সভা

### প্রস্তাৱনা

আমি বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রীয়ে এই মহাবিদ্যালয়ৰ সর্বাংগীন উন্নতিৰ প্রচেষ্টা আগত ৰাখি জাতি-বর্ণ-ধর্ম নির্বিশেষে আমাৰ শাৰীৰিক, মানসিক আৰু নৈতিক উৎকর্ষ সাধন কৰিবলৈ সকলো সম্প্রদায়ৰ মাজত ঐক্য আৰু সংহতি অটুট ৰাখি শিক্ষানুষ্ঠানৰ শৃঙ্খলতা আৰু পৱিত্ৰতা ৰক্ষাৰ্থে এই সংবিধানখন গ্রহণ কৰি আমাৰ নিজৰ বাবে অধিনিয়ম কৰিলোঁ।

ছাত্র সংগঠনৰ নাম আৰু সভ্যপদ ঃ

**অনুচ্ছেদ ১।**

ক) ছাত্র সংগঠনৰ নাম হ'ব "বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয় ছাত্র একতা সভা" (Baosi Banikanta Kakati College Students Union)

খ) বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়ৰ ছাত্র ভর্তি পঞ্জীয়ন বহীত নাম থকা সকলো ছাত্র-ছাত্রী ছাত্র একতা সভাৰ সাধাৰণ সভ্য হ'ব।

**সভ্যপদৰ বিলুপ্তি ঃ**

**অনুচ্ছেদ ২।**

ছাত্র একতা সভাৰ সভ্যপদ তলত উল্লেখ কৰা কাৰণ সমূহৰ ভিত্তিত বিলুপ্তি হ'ব পাৰে —

ক) কোনো ছাত্র-ছাত্রীয়ে কলেজ এৰি গ'লে,

খ) কোনো ছাত্র-ছাত্রীৰ মৃত্যু হ'লে,

গ) কলেজ কৰ্তৃপক্ষই কোনো কাৰণত কোনো ছাত্ৰ-ছাত্ৰীক বহিষ্কাৰ কৰিলে।

**ছাত্ৰ একতা সভাৰ উদ্দেশ্য আৰু কাৰ্যাৱলী ঃ**

**অনুচ্ছেদ ৩।**

ক) প্ৰস্তাৱনাৰ উদ্দেশ্য আগত ৰাখি ঃ 'তৰ্কানুষ্ঠান', 'আলোচনা-চক্ৰ', 'বক্তৃতা', 'সাংস্কৃতিক অনুষ্ঠান' আদিৰ আয়োজন কৰা,

খ) সকলো ধৰণৰ খেল-ধেমালিৰ ব্যৱস্থা কৰা আৰু সম্ভৱ হ'লে প্ৰতিযোগিতামূলক খেলত অংশ গ্ৰহণ কৰা;

গ) প্ৰতি বছৰে 'কলেজ আলোচনী' এখন অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষাত প্ৰকাশ কৰা, বাতৰি কাকত আদিৰ যোগান ধৰা;

ঘ) জাতিগত, ধৰ্মগত, সাম্প্ৰদায়িক, দলীয় ৰাজনৈতিক কথাৰ পৰা আৰু মহাবিদ্যালয়ৰ প্ৰশাসনীয় কাৰ্য্যৰ পৰা আঁতৰত থকা;

ঙ) সামাজিক কামত ছাত্ৰ-ছাত্ৰীক নিয়োগ কৰা।

**ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতি ঃ**

**অনুচ্ছেদ ৪।**

৩ নং অনুচ্ছেদত উল্লেখ কৰা কামবোৰ সম্পাদনা কৰিবলৈ ছাত্ৰ একতা সভাৰ এখন কাৰ্য্যকৰী সমিতি তলত উল্লেখ কৰা বিষয়ববীয়া লৈ গঠিত হ'ব ঃ

ক) সাধাৰণ সম্পাদক (General Secretary) এজন

খ) সহকাৰী সাধাৰণ সম্পাদক
(Asstt. General Secretary) এজন

গ) সম্পাদক, গুৰুখেল বিভাগ
(Secretary, Major Games Section)

ঘ) সম্পাদক, লঘু খেল বিভাগ
(Secretary, Minor Games Section)



ঙ) সম্পাদক, তৰ্ক আৰু আলোচনা বিভাগ
(Secretary, debates and Symposium Section)

চ) সম্পাদক, সাংস্কৃতিক বিভাগ
(Secretary, Cultural Section)

ছ) সম্পাদক, কলেজ আলোচনী
(Editor, College Magazine)

জ) সম্পাদক, সমাজ সেৱা বিভাগ
(Secretary, Social Service Section)

ঝ) সম্পাদক, ছাত্ৰ জিৰণি কোঠা
(Secretary, Boys Common Room)

ঞ) সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
(Secretary, Girl's Common Room)

এই কাৰ্য্যকৰী সমিতিত সভাপতিয়ে সভাপতিত্ব কৰিব।

**অনুচ্ছেদ ৫।**

৪নং অনুচ্ছেদত উল্লেখ কৰা বিভাগীয় সম্পাদকসকলক দিহা-পৰামৰ্শ দিবলৈ সভাপতি অধ্যাপকমণ্ডলীৰ মাজৰ পৰা প্ৰত্যেক বিভাগত এজনকৈ তত্ত্বাৱধায়ক অধ্যাপক মনোনীত কৰিব।

**অনুচ্ছেদ ৬।**

কলেজ ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিৰ কাৰ্য্যকাল শেষ হোৱাৰ আগে আগে সভাপতিৰ সুবিধা অনুযায়ী নতুন কাৰ্য্যকৰী সমিতি গঠন কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব।

**অনুচ্ছেদ ৭।**

সভাপতিয়ে কেইজনমান অধ্যাপক আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকক লৈ এখন নিৰ্বাচনী সমিতি গঠন কৰিব।

**অনুচ্ছেদ ৮।**

ক) ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ বাবে নিৰ্বাচনী জাননী জাৰি হোৱাৰ ৩ (তিনি) দিনৰ ভিতৰত নিৰ্দিষ্ট প্ৰ-পত্ৰত (সংলগ্ন-পত্ৰ Annexure-1) প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব।

খ) মনোনয়ন পত্ৰ দাখিলৰ তাৰিখৰ সময় উকলি যোৱাৰ পিছত মনোনয়ন পত্ৰ পৰীক্ষা কৰি বৈধ প্ৰাৰ্থীৰ তালিকা সভাপতিয়ে প্ৰকাশ কৰিব। সভাপতিয়ে মনোনয়ন পত্ৰ দাখিল আৰু প্ৰত্যাহাৰৰ সময় নিৰ্দ্ধাৰণ কৰি দিব; সেই মৰ্মে প্ৰাৰ্থীয়ে নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰিব পাৰিব।

গ) নিৰ্বাচন প্ৰাৰ্থী আৰু প্ৰস্তাৱক সমৰ্থকৰ মহাবিদ্যালয়ত দিবলগীয়া সমুদায় মাচুল মনোনয়ন পত্ৰ দাখিলৰ দিনলৈকে আদায় দিব লাগিব।

ঘ) নিৰ্বাচনৰ জাননী দিয়াৰ পৰা দহ দিনৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব। ভোট দানৰ সময় সভাপতিয়ে নিৰ্দ্ধাৰণ কৰিব। ভোট দান শেষ হোৱাৰ এঘণ্টা পিছতেই ভোট গণনা আৰম্ভ হ'ব।

ঙ) নিৰ্বাচন সংক্ৰান্তীয় সকলো ব্যৱস্থা নিৰ্বাচন সমিতিয়ে ল'ব আৰু সিয়েই চূড়ান্ত বুলি বিবেচিত হ'ব।

চ) নিৰ্বাচন সংক্ৰান্ত কোনো আপত্তি থাকিলে ফলাফল ঘোষণা কৰাৰ ২৪ ঘণ্টাৰ ভিতৰত লিখিতভাৱে আপত্তিৰ উল্লেখ কৰি সভাপতিৰ ওচৰত দাখিল কৰিব।

ছ) উক্ত অভিযোগ অধ্যক্ষ আৰু নিৰ্বাচনী সমিতিয়ে বিবেচনা কৰিব আৰু সেই সিদ্ধান্তই চূড়ান্ত বুলি বিবেচিত হ'ব।

**অনুচ্ছেদ ৯।**

নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পিছত সভাপতিয়ে সুবিধাক্ৰমে শপত গ্ৰহণ আৰু কাৰ্য্যভাৰ গ্ৰহণৰ তাৰিখ স্থিৰ কৰিব আৰু শপত বাক্য (সংকল্প পত্ৰ Annexure-11) পাঠ কৰাব।

**অনুচ্ছেদ ১০।**

কোনো কাৰণত কাৰ্য্যকালৰ ভিতৰত হঠাতে সাধাৰণ সম্পাদক



নাইবা সহকাৰী সাধাৰণ সম্পাদকৰ পদ একেলগে খালী হ'লে অথবা কোনো বিষয়ববীয়াৰ পদ খালী হ'লে সভাপতিয়ে ছাত্ৰ একতা সভাৰ যিকোনো সভ্যকে বাকীছোৱা সময়ৰ বাবে মনোনীত কৰিব পাৰিব।

**অনুচ্ছেদ ১১।**

ক) কোনো জৰুৰী কথা আলোচনাৰ বাবে ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিৰ আধাতকৈ বেছি সংখ্যক সদস্যই সভাপতিক কাৰ্য্যকৰী সমিতিৰ সভা আহ্বান কৰাৰ বাবে আবেদন জনাব পাৰিব। তেনে আবেদন গৃহীত হ'লে ২৪ ঘণ্টাৰ আগতে জাননী দি সভাপতিয়ে কাৰ্য্যনিৰ্বাহক সমিতিৰ বৈঠক আহ্বান কৰিব।

খ) যদি কোনো সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সমান সমান ভোট দান হৈ অচলাৱস্থাৰ সৃষ্টি কৰে, তেনে ক্ষেত্ৰত সভাপতিয়ে নিৰ্ণায়ক ভোট (Casting Vote) দি সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰিব পাৰে।

**অনুচ্ছেদ ১২।**

ক) সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদক স্নাতক মহলাৰ ১ম বাৰ্ষিকৰ পৰা নিৰ্বাচিত হ'ব লাগিব। বাকী আন বিষয়ববীয়া প্ৰাঃবিঃ আৰু স্নাতক মহলাৰ ১ম বাৰ্ষিক/২য় বাৰ্ষিক শ্ৰেণীৰ পৰা নিৰ্বাচিত হ'ব পাৰিব।

খ) কোনো প্ৰাৰ্থীয়ে কাৰ্য্যকৰী সমিতিত এটাতকৈ বেছি পদৰ প্ৰাৰ্থী হ'ব নোৱাৰিব।

**বিষয়ববীয়া সকলৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

**অনুচ্ছেদ ১৩।**

**১) সাধাৰণ সম্পাদক ঃ**

ক) সভাপতিৰ লগত আলোচনা কৰি সাধাৰণ সম্পাদকে সাধাৰণ সভা আৰু কাৰ্য্যকৰী সমিতিৰ সভা আহ্বান কৰিব।

খ) কাৰ্য্যকৰী সমিতি আৰু সাধাৰণ সভাত গৃহীত প্ৰস্তাৱবোৰ কাৰ্য্যকৰী কৰিব।

গ) ছাত্ৰ একতা সভাৰ আঞ্চলিক, প্ৰাদেশিক, ৰাষ্ট্ৰীয় ছাত্ৰসন্থা আদিত প্ৰতিনিধিত্ব কৰিব।

ঘ) নৱাগত আদৰণী সভা, বিদায় সভা, কলেজ সপ্তাহ, শোকসভা আদিৰ আয়োজন কৰিব।

ঙ) বিভিন্ন শাখাৰ মাজত কাম-কাজৰ সমন্বয় ৰাখিব।

চ) ছাত্ৰ একতা সভাৰ নথি-পত্ৰ সংৰক্ষণ কৰিব।

**২। সহকাৰী সাধাৰণ সম্পাদক ঃ**

ক) সাধাৰণ সম্পাদকক ছাত্ৰ একতা সভাৰ সকলো কামতে সহায়-সহযোগ কৰিব।

খ) সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সম্পাদকৰ দায়িত্ব পালন কৰিব।

**৩। আন বিষয়ববীয়াসকল —**

ক) আন আন বিষয়ববীয়াসকলে প্ৰস্তাৱনাত উল্লেখ কৰা আদৰ্শ আৰু লক্ষ্যবোৰ পূৰণ কৰিবলৈ বিভাগীয় কাম-কাজবোৰ নিয়াৰিকৈ সম্পাদন কৰিবৰ বাবে উপযুক্ত ব্যৱস্থা ল'ব।

খ) শ্ৰেণীৰ প্ৰতিনিধিয়ে নিৰ্দ্দিষ্ট শ্ৰেণীৰ, কাম-কাজ সমূহ নিয়াৰিকৈ পালন কৰিব।

**অনুচ্ছেদ ১৪।**

ক) তত্ত্বাৱধায়ক অধ্যাপকসকলে উপদেষ্টা হিচাবে কাম কৰিব। তেওঁলোকে কাৰ্য্যকৰী সমিতি আৰু সাধাৰণ সভাৰ বৈঠকত অংশ গ্ৰহণ কৰিব; কিন্তু তেওঁলোকৰ ভোটাধিকাৰ নাথাকিব।

খ) বিভাগীয় সম্পাদকসকলে তত্ত্বাৱধায়ক অধ্যাপক সকলৰ লগত আগতীয়াকৈ আলোচনা কৰি খৰচ-পাতি কৰিব। ধন ৰচিদত তত্ত্বাৱধায়ক সকলৰ সন্মতি অবিহনে সভাপতিয়ে তেনে খৰচত অনুমোদন নজনাব।

গ) বিভাগীয় সম্পাদকসকলে কলেজৰ সা-সঁজুলি বাৰ্ষিক পৰীক্ষা নাইবা বাছনি পৰীক্ষাৰ আগতে তত্ত্বাৱধায়ক অধ্যাপকক ঘূৰাই দিব লাগিব।



**অনুচ্ছেদ ১৫।**

কাৰ্য্যকৰী সমিতিৰ যিকোনো সভ্যই পদত্যাগ কৰিব খুজিলে সভাপতিৰ ওচৰত পদত্যাগ-পত্ৰ দাখিল কৰিব পাৰে। সভাপতিয়ে পদত্যাগ পত্ৰ গ্ৰহণ কৰিলে সেই পদটো খালী হোৱা বুলি ধৰা হ'ব। তেনে খালী হোৱা পদ ১০ নং অনুচ্ছেদ অনুসৰি পূৰণ কৰা হ'ব।

**অনুচ্ছেদ ১৬।**

ক) কাৰ্য্যকৰী সমিতিৰ যিকোনো সভ্যই সংবিধান বিৰোধী বা অনুষ্ঠানৰ বিৰুদ্ধে কাম কৰিলে অধ্যক্ষই তেনে সভ্যৰ পৰা পদত্যাগ দাবী কৰিব পাৰে। যদি পদত্যাগ নকৰে, তেনে সভ্যক কাৰ্য্যকৰী সমিতিৰ অনুমোদন সাপেক্ষে সভাপতিয়ে বৰ্খাস্ত কৰিব পাৰিব।

খ) কাৰ্য্যকৰী সমিতিৰ সভ্যসকলৰ মাজত গভীৰ মতানৈক্য দেখা দিলে বা আন কোনো কাৰণত শান্তি শৃঙ্খলা হানি হোৱাৰ সম্ভাবনাই দেখা দিলে, অনুষ্ঠানৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সভাপতিয়ে সাময়িক ভাৱে কাৰ্য্যকৰী সমিতি বাতিল কৰিব পাৰিব আৰু প্ৰয়োজন বোধে পুনৰ নিৰ্ব্বাচন বা মনোনয়নৰ জৰিয়তে কাৰ্য্যকৰী সমিতি গঠন কৰিব।

**ছাত্ৰ একতা সভাৰ পুঁজি ঃ**

**অনুচ্ছেদ ১৭।**

ক) প্ৰতিবছৰে নাম ভৰ্তিৰ সময়ত সকলো ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ একতা সভাৰ মাচুল আদায় দিব লাগিব আৰু ইয়ে হ'ব ছাত্ৰ একতা সভাৰ পুঁজি। এই পুঁজি কলেজৰ অধ্যক্ষৰ তত্ত্বাৱধানত ৰাষ্ট্ৰীয়কৃত বেংকত জমা থাকিব আৰু অধ্যক্ষই ইয়াক নিয়ন্ত্ৰণ কৰিব।

খ) ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দ্ধাৰিত মাচুল আদায় দি 'ছাত্ৰ কল্যাণ নিধি' নামেৰে এটি পুঁজি গঠন কৰিব। এই পুঁজিৰ পৰা অভাৱগ্ৰস্ত ছাত্ৰ-ছাত্ৰীক অধ্যক্ষই আৰ্থিক সাহায্য আগবঢ়াব।

**অনুচ্ছেদ ১৮।**

ক) সাধাৰণ সম্পাদকে সভাপতিৰ সৈতে আলোচনা কৰি সাত দিনৰ জাননীৰে সাধাৰণ সভা আহ্বান কৰিব পাৰিব।

খ) সাধাৰণ সম্পাদকে সভাপতিৰ সৈতে আলোচনা কৰি তিনিদিনৰ আগতীয়া জাননীৰে কাৰ্য্যকৰী সমিতিৰ বৈঠক অনুষ্ঠিত কৰিব পাৰিব।

গ) বিশেষ সাধাৰণ সভাৰ (Requisition meeting) বাবে মুঠ ছাত্ৰ-ছাত্ৰীৰ আধাতকৈ বেছি অংশই চহী সংগ্ৰহ কৰি সভাপতিৰ ওচৰত আবেদন জনালে সভাপতিয়ে দিন নিৰ্দ্ধাৰণ কৰি সভা আহ্বান কৰিব লাগিব।

ঘ) বিশেষ সাধাৰণ সভাত ছাত্ৰ একতা সভাৰ মুঠ সদস্যৰ কমেও $\frac{1}{3}$ (এক তৃতীয়াংশ) উপস্থিত থাকি উপস্থিত সভ্যৰ $\frac{1}{2}$ (তিনি চতুৰ্থাংশৰ) ভাগ সদস্যৰ সমৰ্থনত কাৰ্য্যকৰী সমিতি বা ইয়াৰ যিকোনো সভ্যৰ বিৰুদ্ধে অনাস্থা প্ৰকাশ কৰি ক্ষমতাৰ পৰা আঁতৰাব পাৰিব।

ঙ) সচৰাচৰ সাধাৰণ সভা আৰু কাৰ্য্যকৰী সমিতিৰ বৈঠকত সাধাৰণ সংখ্যাগৰিষ্ঠৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

**থূল (Quorum) ঃ**

**অনুচ্ছেদ ১৯।**

ক) আধাতকৈ বেছি সংখ্যক সভ্যৰ উপস্থিতিত কাৰ্য্যকৰী সমিতি আৰু সাধাৰণ সভাৰ থূল হ'ব। থূল নহ'লে সভা স্থগিত ৰাখিব লাগিব।

খ) সভাপতিৰ ওচৰত কোনো জাননী নিদিয়াকৈ কাৰ্য্যকৰী সমিতিৰ কোনো সভ্যই একেলেথাৰিয়ে তিনিখন বৈঠকত অনুপস্থিত থাকিলে তেওঁৰ সভ্যপদ বাতিল হ'ব।

**সংবিধান সংশোধন (Amendment) ঃ**

**অনুচ্ছেদ ২০।**

ক) সাধাৰণ সভাৰ দুই তৃতীয়াংশ সভ্যৰ উপস্থিতিত আৰু উপস্থিত সভ্যৰ তিনি চতুৰ্থাংশৰ সমৰ্থনত সংবিধান সংশোধন হ'ব। স্থগিত সভাত সংবিধান সংশোধন হ'ব নোৱাৰিব।



খ) সংবিধান সম্পৰ্কীয় সকলো ধৰণৰ বিতৰ্কমূলক কথাত সভাপতিৰ অভিমত চূড়ান্ত বুলি গণ্য কৰা হ'ব।

Annexure (I) –
সংলগ্ন পত্ৰ — ১ মনোনয়ন পত্ৰ

Annexure (II) –
সংলগ্ন পত্ৰ- ২ শপত বাক্য

স্বাক্ষৰ / শ্ৰীগোপীনাথ দাস
সভাপতি
২০/১/৮২ ইং

সংলগ্ন পত্ৰ - ১

বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ

নিৰ্বাচন ২০.....

# মনোনয়ন পত্ৰ

১। পদৰ নাম —

২। প্ৰাৰ্থীৰ নাম —

শ্ৰেণী — ক্ৰমিক নং —

প্ৰাৰ্থীৰ স্বাক্ষৰ —

৩। প্ৰস্তাৱকৰ স্বাক্ষৰ —

৪। সমৰ্থকৰ নাম

শ্ৰেণী — ক্ৰমিক নং —

সমৰ্থকৰ স্বাক্ষৰ —

........................................................................................................

মহাবিদ্যালয় কাৰ্য্যালয়ৰ ব্যৱহাৰৰ বাবে —

মাচুল আদায় / অনাদায়

মুখ্য কাৰ্য্যালয় সহায়ক

মনোনয়ন পত্ৰ শুদ্ধ / অশুদ্ধ।

ৰিটাৰ্ণিং বিষয়াৰ স্বাক্ষৰ



সংলগ্ন পত্ৰ - ২

# শপত

মই ...................................... বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ................................ হিচাপে, মহাবিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থৰ সীমাৰ ভিতৰত সমূহ ছাত্ৰ-ছাত্ৰীৰ সৰ্বাত্মক উন্নতি আৰু স্বাৰ্থৰ অনুকূলে সাধ্যানুসাৰে কাম কৰি যাবলৈ আজি ................................ তাৰিখে প্ৰতিজ্ঞাবদ্ধ হ'লো। মহাবিদ্যালয়ৰ নিয়ম-শৃংখলাৰ মাজেৰে ছাত্ৰ-ছাত্ৰী সকলৰ দৈহিক আৰু মানসিক বিকাশ সাধনৰ উদ্দেশ্যে একতা আৰু সম্প্ৰীতিৰ ভাবেৰে নিজৰ বিভাগীয় দায়িত্ব পালন কৰিবলৈ আজি অধ্যক্ষ প্ৰমুখ্যে সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলক সাক্ষী কৰি আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰিলো।

................................

স্বাক্ষৰ

পদৰ নাম

# সংশোধনী পৰিশিষ্ট

**প্ৰথম সংবিধান সংশোধন, ২০২৩ ইং**

বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দাবী মৰ্মে ১৯৮২ ইং চনত গৃহীত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধানখন সংশোধন কৰিবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষই তলত উল্লেখ কৰা ব্যক্তিসকলক লৈ ০৮/০৯/২০২২ ইং তাৰিখৰ আদেশ মৰ্মে সংবিধান সমিতি গঠন কৰা হয়।

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° প্ৰদীপ দাস |
| সমন্বয়ক | ঃ | ড° ৰণজিৎ সভাপণ্ডিত |
| সদস্য | ঃ | নৃপেন্দ্ৰ নাথ দাস |
| | | আলী হুছেইন শ্বেইখ |
| | | আমিনুৰ ৰহমান |
| | | ড° গোপাল কুমাৰ শৰ্মা |
| | | শ্বেইখ শ্বাহিল উদ্দিন শ্বাহ |
| | | (সভাপতি, ছাত্ৰ একতা সভা ২০২১-২২ বৰ্ষ) |

সংবিধান সংশোধন সমিতিখনে ছাত্ৰ একতা সভাৰ সংবিধানখনৰ সংশোধন কৰিবলগা বিষয়বোৰ আলোচনাৰ বাবে ৩ খন বৈঠকত মিলিত হয়। সংবিধান সংশোধনৰ ক্ষেত্ৰত তলত উল্লেখ কৰা দিশবোৰৰ ওপৰত ভিত্তি কৰা হয়ঃ

ক) মহাবিদ্যালয়খনৰ স্বকীয় তথা ঐতিহ্যগত স্বাস্থ্যসন্মত নীতি-নিয়ম।

খ) মহাবিদ্যালয়খনৰ স্থানীয় তথা পাৰিপাৰ্শ্বিক অৱস্থা।

গ) পৰিবৰ্তিত সময়ৰ তাগিদা / প্ৰয়োজন

ঘ) মহামান্য উচ্চতম ন্যায়ালয়ে অনুমোদন জনোৱা লিংডু কমিশ্বনৰ পৰামৰ্শাৱলী।

ওপৰোক্ত দিশবোৰৰ ভিত্তিত সংবিধান সংশোধন সমিতিয়ে নিম্নোল্লিখিত সংশোধনী প্ৰস্তাৱ আগবঢ়ায় যিখিনি মূল সংবিধানৰ লগত সংশোধনী পৰিশিষ্ট হিচাপে সংযোজিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**অনুচ্ছেদ ৩**। (গ) ৰ কথাখিনিৰ সংশোধিত ৰূপ এনেধৰণৰ হ'ব "প্ৰতিবছৰে কলেজ আলোচনী এখন অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাত প্ৰকাশ কৰা আৰু বাতৰি কাকত আদি যোগান ধৰা।"

**'অনুচ্ছেদ ৩'** (ঘ) ৰ কথাখিনিৰ সংশোধিত ৰূপ হ'বঃ "জাতিগত, ধৰ্মগত, সাম্প্ৰদায়িক আৰু দলীয় ৰাজনৈতিক কথা আৰু মহাবিদ্যালয়ৰ প্ৰশাসনীয় কাৰ্যৰ পৰা আঁতৰত থকা।



**'অনুচ্ছেদ ৪'** ত থকা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ পদৰ ক্ষেত্ৰত সভাপতি আৰু উপ-সভাপতি পদ সংযোজন হয়।

**অনুচ্ছেদ** ৪ৰ 'ক' আৰু 'খ' থকা 'এজন' শব্দ উঠাই দিয়া হয়।

**অনুচ্ছেদ** ৪ৰ (ছ)ৰ 'Editor'ৰ ঠাইত Secretary হ'ব।

**অনুচ্ছেদ** ৪ৰ (ট) বিলুপ্ত হ'ব।

একেদৰে **অনুচ্ছেদ ৫**ৰ বাক্যটো বিলোপ কৰি তাৰ ঠাইত তলৰ কথাখিনি সংযোজন কৰা হয়—

"এই কাৰ্য্যকৰী সমিতিৰ কাম-কাজ নিৰীক্ষণ কৰিবলৈ আৰু দিহা-পৰামৰ্শ দিবলৈ অধ্যক্ষই প্ৰত্যেকটো পদৰ বিপৰীতে একোজনকৈ অধ্যাপক/অধ্যাপিকা তত্ত্বাৱধায়ক/পৰামৰ্শদাতা মনোনীত কৰিব যাতে কাৰ্য্যকৰী সমিতিয়ে অধিক পাৰদৰ্শিতাৰে কাম কৰিব পাৰে।"

**অনুচ্ছেদ ৬, ৯, ১০, ১৪ (খ), ১৬ (ক), ১৬ (খ) আৰু ২০ (খ)**ত থকা 'সভাপতি' শব্দৰ ঠাইত 'মহাবিদ্যালয়ৰ অধ্যক্ষ' হ'ব।

**অনুচ্ছেদ ৮ (খ), ৮ (ঘ), ৮ (চ)**ত থকা 'সভাপতি'ৰ ঠাইত আৰু **৮ (ছ)**ত থকা 'অধ্যক্ষ'ৰ ঠাইত 'ৰিটাৰ্ণিং বিষয়া' হ'ব।

**অনুচ্ছেদ** ৭ত সন্নিবিষ্ট কথাখিনি তলত উল্লেখ কৰা ধৰণে সংশোধন কৰা হয়— "অধ্যক্ষই কেইজনমান অধ্যাপক আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকক লৈ এখন নিৰ্বাচনী সমিতি গঠন কৰিব। অধ্যক্ষজন নিজে বা তেওঁৰ দ্বাৰা মনোনীত এগৰাকী অধ্যাপক 'ৰিটাৰ্ণিং বিষয়া' হ'ব।"

**অনুচ্ছেদ ৮ (গ)** ৰ সংশোধন কৰি গ-১ আৰু গ-২ কৰা হয়—

গ-১) নিৰ্বাচন প্ৰাৰ্থী আৰু প্ৰস্তাৱক-সমৰ্থক মহাবিদ্যালয়ৰ পূৰ্ণকালীন পাঠ্যক্ৰমৰ নিয়মীয়া ছাত্ৰ-ছাত্ৰী হ'ব লাগিব আৰু অন্ততঃ যিকোনো এটা বিষয়ত ৭৫% তকৈ অধিক উপস্থিত থকা হ'ব লাগিব।

গ-২) নিৰ্বাচন প্ৰাৰ্থী আৰু প্ৰস্তাৱক-সমৰ্থকৰ মহাবিদ্যালয়ত দিবলগীয়া সমুদায় মাচুল মনোনয়ন পত্ৰ দাখিলৰ দিনলৈকে আদায় দিব লাগিব।"

**অনুচ্ছেদ ৮ (ছ)** ৰ পিছত ভোটাৰ তালিকা সম্পৰ্কীয় কথা সন্নিৱিষ্ট কৰি ৮ (জ) সংযোজন কৰা হয়।

৮ (জ) মহাবিদ্যালয়ৰ পূৰ্ণকালীন নিয়মীয়া পাঠ্যক্ৰমত নাম ভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীৰ নাম সন্নিৱিষ্ট কৰি নিৰ্বাচন অনুষ্ঠিত কৰাৰ ৩ দিন আগত ভোটাৰ তালিকা প্ৰকাশ কৰিব।

**অনুচ্ছেদ ১২** ৰ সংশোধিত ৰূপ এনে ধৰণৰ হ'ব।

ক) সভাপতি — প্ৰাৰ্থীজন স্নাতক ২য় বৰ্ষৰ হ'ব লাগিব। (তৃতীয় বৰ্ষৰ প্ৰাৰ্থী হ'লে ষষ্ঠ যান্মাসিকৰ পৰীক্ষা আৰু ফলাফল নিৰ্দ্দিষ্ট কাৰ্যকাল শেষ হোৱাৰ

আগতে ছাত্র পদাধিকাৰীজনে মহাবিদ্যালয় এৰিব লগাত পৰে। ফলত ছাত্র একতা সভাৰ কাম-কাজ বাধাগ্রস্ত হয়।

খ) উপ-সভাপতি — প্রার্থীজন স্নাতক ২য় বৰ্ষৰ হ'ব লাগিব।

গ) সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদক — স্নাতক প্রথম বৰ্ষৰ হ'ব লাগিব।

ঘ) অন্য বিষয়ববীয়া স্নাতক প্রথম বা দ্বিতীয় বৰ্ষৰ হ'ব লাগিব।

ঙ) কোনো প্রার্থীয়ে এটাতকৈ বেছি পদৰ প্রার্থী হ'ব নোৱাৰিব।

চ) এজন প্রার্থীয়ে মাত্র এবাৰহে নির্বাচনত প্রতিদ্বন্দ্বিতা কৰিব পাৰিব।

ছ) প্রার্থীজন মহাবিদ্যালয়ৰ পূর্ণকালীন নিয়মীয়া পাঠ্যক্রমৰ যিকোনো এটা বিষয়ত সর্বনিম্ন ৭৫% উপস্থিতি থাকিব লাগিব।

**অনুচ্ছেদ ১৩** ৰ সংশোধন কৰি ১ক '২', ২ক '৩' ৩ক ৪ কৰি নতুনকৈ সভাপতি আৰু উপ-সভাপতিৰ দায়িত্ব উল্লেখ নতুনকৈ ১ আৰু ২নং দফা সংযোজন কৰা হয়।

**সভাপতি ঃ**

ছাত্র একতা সভাৰ মুখপত্র হিচাপে, ছাত্র একতা সভাৰ সাধাৰণ সভা/কার্য্যকৰী সভাত গৃহীত বিষয়বোৰ মহাবিদ্যালয়ৰ অধ্যক্ষক লিখিত ৰূপত অৱগত কৰিব আৰু ছাত্র একতা সভাৰ কার্যকৰী সমিতিৰ সকলো ধৰণৰ কামত নেতৃত্ব প্রদান কৰিব।

**উপ-সভাপতি ঃ**

সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে ছাত্র একতাসভা পৰিচালনাৰ দায়িত্ব পালন কৰিব। কার্য্যকৰী সমিতিৰ কাম-কাজবোৰ নিয়মীয়াকৈ সম্পূর্ণ কৰাত নেতৃত্ব প্রদান কৰিব।

**অনুচ্ছেদ ১৩ (১)** (গ) আৰু **১৩ (৩)** ঘ বাতিল কৰা হয়।

**৯ ছেপ্টেম্বৰ, ২০২৩ ইং (শনিবাৰ) তাৰিখে মহাবিদ্যালয় প্রাঙ্গণত সমূহ শিক্ষক-শিক্ষয়িত্রী ছাত্র-ছাত্রী আৰু ২০২২-২৩ বৰ্ষৰ ছাত্র একতা সভাৰ বিষয়ববীয়াৰ উপস্থিতিত অনুষ্ঠিত সাধাৰণ সভাত মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সংশোধিত সংবিধানখন সর্বসন্মতিক্রমে গৃহীত হয়।**

স্বাক্ষৰ / **ড° প্রদীপ দাস**
অধ্যক্ষ তথা সভাপতি
সংবিধান সংশোধন সমিতি
তাৰিখ ঃ ৯/৯/২০২৩ ইং